সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৯ সংখ্যা, ২৫ আঘোণ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 49 * Date Of Publication - 12 December 2021 Rs.5.00/-

## অসমপৌৰ আইন- ১৯৫৬ সংশোধনীৰে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলাৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ উদ্দেশ্যে ১০ বছৰলৈ মহিলাৰ সংৰক্ষণৰ ম্যাদ বৃদ্ধি



ৰঙিলী বাৰ্ত্তাসেৱা- অসম সচিবালয়ত অনুষ্ঠিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাই কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ড° শৰ্মাৰ মন্ত্ৰীসভাই গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি ১৯৫৬ চনৰ পৌৰ আইন সংশোধন কৰি সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলাৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ উদ্দেশ্য তেওঁলোকক ১০ বছৰৰ বাবে সংৰক্ষণ প্ৰদানৰ ব্যৱস্থা কৰে। তদুপৰি গুৱাহাটী পৌৰ নিগমৰ পাৰিষদ পদৰ পোনপটীয়া নিৰ্বাচনত মহিলাসকলৰ বাবে থকা সংৰক্ষণৰ ম্যাদ ১০ বছৰ পৰ্যন্ত বৃদ্ধি কৰাৰ উদ্দেশ্যে ১৯৬৯ চনৰ গুৱাহাটী পৌৰ নিগম আইনৰ সংশোধনৰ সিদ্ধান্ত লোৱা হয়। এই বৈঠকতে ৰাজ্যৰ কৃষকসকলক কৃষি কাৰ্যত সহায় আগবঢ়াবৰ উদ্দেশ্যে অসম কৃষি বন উন্নয়ন ব'ৰ্ড গঠনৰ সিদ্ধান্ত লোৱা হয়। এই বৰ্ডে কৃষক, উদ্যোগ আৰু অন্যান্য অংশীদাৰসকলৰ মাজত সমন্বয় ৰক্ষা কৰিব। কামৰূপ মহানগৰ জিলাৰ দিছপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বশিষ্ঠৰ ৮.০২ হেক্টৰ ভূমি ৰাণী মা গাইডুলু সংস্কৃতি ভৱন নিৰ্মাণৰ বাবে হেৰেকো সেৱা ন্যাসক প্ৰদানৰ সিদ্ধান্তগ্ৰহণ কৰা হৈছে। কালিৰ বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি এতিয়াৰে


( পাঁচ পৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ

## কাব্যঋষিলৈ অভিনন্দন

"মই আজিয়েই কৈ থ'লো, অসমে পৰৱৰ্তী জ্ঞানপীঠ কবিতাৰ কাৰণে পাব" ২০০০ চনৰ জ্ঞানপীঠ বঁটা বিজয়ী প্ৰয়াত মামণি ৰয়ছম গোস্বামীৰ ভৱিষ্যদ্বাণী যেন সুদীৰ্ঘ চৰবছৰৰ পাছত আখৰে আখৰে ফলিয়ালে। অশীতিপৰ কবি গৰাকীলৈ আগবঢ়োৱা হ'ল ভাৰতৰ সাহিত্যৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা। গোলাপী জামুৰ লগ্নৰ কাব্যঋষি গৰকীৰ কবিতাৰ বৈশিষ্ট্যত বিষয়ৰ ব্যাপ্তি আৰু গভীৰতা দেখা যায়। প্ৰতীকবাদী শৈলীৰ প্ৰয়োগ তেখেতৰ কবিতাৰ অন্য এক বৈশিষ্ট্য। 'কবিতা' গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰা নীলমণি ফুকনৰ কবিতা ই অসমীয়া কাব্যিক সাহিত্যৰ জগতখনলৈ এক নতুন ধাৰাৰ সৃষ্টি কৰিছে। অসম সাহিত্য সভাই প্ৰদান কৰা 'ৰঘুনাথ চৌধাৰী বঁটাৰ পৰা আৰম্ভ কৰি ১৯৮০ চনত কবিতা নামৰ কাব্য সঙ্কলনৰ বাবে সাহিত্য অকাডেমি বঁটা, ১৯৯০ চনত পদ্মশ্ৰী বঁটা, ২০০২চনত সাহিত্য অকাডেমীৰ সৰ্বোচ্চ সন্মান ফেল'-২০০২ সন্মানিত হয় আৰু শেহতীয়াকৈ সাহিত্যৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে। 'সাগৰতলিৰ শঙ্খ'ৰ কবি গৰাকীলৈ এই বিৰল সন্মান যচাঁৰ খবৰতো বতাহত বিয়পি পৰাৰ লগে লগেই জন্মস্থান গোলাঘাট জিলাৰ লগতে সমগ্ৰ অসমতেই আনন্দৰ জোৱাৰ উঠিছে। বৰ্ষটোৰ শেষৰফালে অসমলৈ আহিল কেইবাটাও ভাল খবৰ। ক্ৰীড়া জগতৰ পৰা সাহিত্যলৈকে গোলাঘাট চহৰে লাভ কৰিলে দুটি সুখৰ বতৰা। সাম্প্ৰতিক সময়ত অসমীয়া ভাষাটোৰ প্ৰতি অনিহা দেখুওৱাৰ সময়তে জ্ঞানপীঠ বঁটা পোৱাৰ খবৰটোৱে আমাৰ বৌদ্ধিক মহলৰ লগতে সদৌ অসমীয়া জাতিৰ বাবে এক আশাৰ বতৰা কঢ়িয়াই আনিছে। শেষত 'সূৰ্য্য হেনো নামি আহে এই নদীয়দি' কবিগৰাকীৰ দীৰ্ঘায়ু কামনা কৰি মহীৰূহ গৰাকীলৈ "ৰঙিলী বাৰ্ত্তা"-ৰ তৰফৰ পৰা জনাইছো অলেখ অযুত শুভকামনা।

## ৰাজ্যৰ কাৰাগাৰসমূহত বিভিন্ন সংস্কাৰমুখী পদক্ষেপ গ্ৰহণ কৰাৰ উদ্দেশ্যে আশীৰ্বাদ শীৰ্ষক অনুষ্ঠানৰ আয়োজন



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ কাৰাগাৰসমূহত বিভিন্ন সংস্কাৰমুখী পদক্ষেপ গ্ৰহণ কৰাৰ উদ্দেশ্যে আশীৰ্বাদ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ অংশস্বৰূপে গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত প্ৰথমবাৰৰ বাবে কাৰাগাৰ মূখ্যালয়ৰ উদ্যোগত মূলতঃ ২০খন কাৰাগাৰত থকা ৭৪জন হাইস্কুল শিক্ষান্ত পৰীক্ষা, হাই মাদ্ৰাছা, চি বি এছ ইৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া কাৰাবাসীসকলৰ সন্তানসকলৰ বাবে আশীৰ্বাদ অনুষ্ঠানৰ আয়োজন কৰা হয়। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত আয়োজন কৰা অনুষ্ঠানটোত কাৰাগাৰ মহাপৰিদৰ্শক বৰ্ণালী শৰ্মাই উদ্দেশ্য, লক্ষ্য আৰু তাৎপৰ্য ব্যাখ্যা কৰি

( পাঁচ পৃষ্ঠাত চাওক)

## ভাৰতত নতুনকৈ ৭,৯৯২ জন লোক কৰ'নাত সংক্ৰমিত



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত নতুনকৈ ৭, ৯৯২ জন লোক কৰ'নাত সংক্ৰমিত হৈছে। ৩৯৩ জন লোকৰ নতুনকৈ কৰ'নাত সংক্ৰমিত হৈ মৃত্যু হৈছে। যাৰ ফলত ভাৰতত কৰ'না সংক্ৰমণৰ বাবে মৃত্যু হোৱা লোকৰ সংখ্যা ৪,৭৫,১২৮ লৈ বৃদ্ধি হয়। আনহাতে ৯,২৬৫ জন লোক কৰ'না সংক্ৰমণৰ পৰা সুস্থ হৈ উঠিছে।

# ফটাশিল আমবাৰীত শ্বহীদ দিৱস উদযাপন তিনি শ্বহীদ পৰিয়ালক ৰাজহুৱাকৈ সম্বৰ্ধনা

ৰঙিলী বাৰ্ত্তাসেৱা- অগপৰ পশ্চিম গুৱাহাটী বিধান পৰিষদৰ উদ্যোগত আৰু ৭ নং মহানগৰ ৱাৰ্ড সমিতিৰ সহযোগত ফটাশিল আমবাৰী দুৰ্গা মন্দিৰ প্ৰাংগণত ছয় বছৰীয়া বিদেশী বহিস্কৰণ আন্দোলনৰ জাতীয় শ্বহীদ সকলক স্মৰণ কৰাৰ উদ্দেশ্যে শ্বহীদ দিৱস উদযাপন কৰা হয় । এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিদেশী বহিস্কৰণ আন্দোলনৰ তিনি গৰাকী শ্বহীদ পৰিয়ালৰ লোক ক্ৰমে - শ্বহীদ মহেন্দ্ৰ দাসৰ সহধৰ্মিনী ৰেণুবালা দাস, শ্বহীদ মহন্ত দাসৰ সহধৰ্মিনী কমলা দাস আৰু শ্বহীদ ভুৱনেশ্বৰ তালুকদাৰৰ ভগ্নী মামণি তালুকদাৰক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয় । আনহাতে অগপৰ কেন্দ্ৰীয় কমিটীৰ সম্পাদক সুভাষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটোত উপস্থিত সকলোকে আদৰণি জনায় গুৱাহাটী পৌৰ নিগমৰ প্ৰাক্তন কাউন্সিলাৰ ভূপেন ঠাকুৰীয়াই । অনুষ্ঠানত বিশিষ্ট গল্পকাৰ ৰিজু হাজৰিকাই মুখ্য অতিথি হিচাপে ভাগ লৈ অসম আন্দোলনৰ জাতীয় শ্বহীদ সকলৰ



ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি যি লক্ষ্যৰ বাবে প্ৰায় ৮৫৫ জন শ্বহীদে প্ৰাণ আহুতি দিলে সেই লক্ষ্য অতিক্ৰম কৰিবলৈ এতিয়াও বহুদূৰ বাকী আছে বুলি আক্ষেপ প্ৰকাশ কৰে । অনুষ্ঠানত বি জে পি নেতা হীৰেণ মেধি, অগপৰ কামৰূপ জিলা কমিটীৰ সম্পাদক পৰেশ বৰুৱা, পশ্চিম গুৱাহাটী বিধান পৰিষদৰ সাধাৰণ সম্পাদক ৰবীন দৈমাৰী, পশ্চিম গুৱাহাটী মহিলা বিধান পৰিষদৰ সাধাৰণ সম্পাদিকা সংগীতা ৰাজবংশী, ৭ নং ৱাৰ্ড কমিটীৰ সভাপতি ভূপেন্দ্ৰ নাথ সোণোৱাল, সম্পাদক উজ্বল কলিতা, দিগাম্বৰ কলিতাৰ উপৰিও গোলাপ ডেকা, হেমেন ডেকাকে ধৰি কেবাজনো অগপ - বি জে পি নেতা উপস্থিত থাকে। আৰম্ভণিতে শ্বহীদ তৰ্পণ কৰে সম্বৰ্ধনা গ্ৰহণ কৰা শ্বহীদ পৰিয়ালৰ তিনিওগৰাকী লোকে । অনুষ্ঠানত অগপৰ উপৰিও দলটোৰ ভাতৃ - ভগ্নী সংগঠন সমূহৰ পশ্চিম গুৱাহাটীৰ ৮ টা ৱাৰ্ড আৰু ৮ খন গাঁও পঞ্চায়তৰ সভাপতি - সম্পাদককে ধৰি আন আন কৰ্মকৰ্তা, শতাধিক সদস্য উপস্থিত থাকে ।

# দিছপুৰ প্ৰেছ ক্লাবত অসমীয়া বিজ্ঞানী ড° আৰতী বৰা বৰুৱা আৰু খেলুৱৈ নীলিম আকাশ বৰুৱাক সম্বৰ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- আন্তৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদৰ অসম ৰাজ্যিক সমিতিৰ উদ্যোগত দিছপুৰ প্ৰেছ ক্লাবত আন্তৰ্জাতিক মানৱ অধিকাৰ দিৱসৰ লগত সংগতি ৰাখি আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিবাসী প্ৰবাসী অসমীয়া বিজ্ঞানী ড° আৰতী বৰা বৰুৱা আৰু উদীয়মান স্কেটিং খেলুৱৈ নীলিম কুমাৰ আকাশ বৰুৱাক গামোচা, জাপি, সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি নিজৰ অনুভৱ ব্যক্ত কৰে। অসম ৰাজ্যিক সমিতিৰ সভাপতি কৰুণ কুমাৰ ভূএগাই পৌৰোহিত্য কৰা সভাত কাৰ্যকৰী সভাপতি জ্যোতিৰ্ময় কলিতা, সাধাৰণ সম্পাদক ভাবেশ বৈশ্যকে আদি কৰি কেইবাজনো লোক উপস্থিত থাকে।

# মানৱ অধিকাৰ- সাংবাদিকতাৰ ওপৰত প্ৰত্যাহ্বান আহি পৰিছেঃ মনোজ কুমাৰ গোস্বামী




ৰঙিলী বাৰ্ত্তাসেৱা- মানৱ অধিকাৰ আৰু সাংবাদিকতাৰ ওপৰত প্ৰত্যাহ্বান আহি পৰিছে।বৰ্তমান মানৱ অধিকাৰ আৰু সাংবাদিকতাৰ ওপৰত বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি হৈছে।মানৱ অধিকাৰ আৰু সাংবাদিকৰ সংজ্ঞা বদলি হৈছে।- এই মন্তব্য ‘আমাৰ অসম’ৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামীৰ। গুৱাহাটী প্ৰেছ ক্লাবত হিউমেন ৰাইটচ নেশ্বনেল ফেডেৰেশ্বনে আয়োজন কৰা আন্তৰ্জাতিক মানৱ অধিকাৰ দিৱসত এইদৰে কয. ‘আমাৰ অসম’ৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামীয়ে। তেওঁ পুনৰ কয়- মানৱ অধিকাৰ আৰু সাংবাদিকতাৰ ওপৰত প্ৰশ্ন উঠি থকাৰ লগতে মাজে মাজে সমালোচনা হৈ থাকে। এই দুয়োটাকে নষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে। এই সমস্যাৰ মাজেৰে দুয়োটা কাম কৰিব লাগিব। তেওঁ নেহেৰুৰ উদ্ধৃতিৰে কয় আৰ্থিকভাৱে স্বাধীন নহ’লে এই স্বাধীনতাৰ কোনো মতলব নাই। সভাত ‘প্ৰতিদিন টাইম’ৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই ভাষণত কয় এই দিৱস ইয়াত পতাৰ পৰিৱৰ্তে গাঁও অঞ্চলত পতাটো বেছি ভাল। সভা পাতিলে কি হ’ব ইয়াক হাতে কামে কৰিব লাগিব। চৰকাৰী মাধ্যম আৰু সকলোৰে বাবে মাত মাতিব লাগে। নাগালেন্দৰ ঘটনা সন্দৰ্ভত কিছু কথা ব্যক্ত কৰে। সংস্থাটোৰ ৰাষ্ট্ৰীয় মুখ্য সঞ্চালক ড° বৰ্ণালী শৰ্মা বৰুৱাই পৰিচালনা কৰা সভাত ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষ ডা° হেমপ্ৰভা বৰঠাকুৰ, লেখক মুকুট শৰ্মাই ভাষণ দিয়ে।

# অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলন

ৰঙিলী বাৰ্ত্তাসেৱা- অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগে আজি আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ দিৱসৰ লগত সংগতি ৰাখি শিশু সৰবৰাহৰ আৰু নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি এখন এদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত কৰে। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সন্মিলনখনৰ আদৰণি ভাষণত অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষা ড° সুনীতা চাংকাকতিয়ে সভাত উপস্থিত থকা অসম চৰকাৰৰ বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ, ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ, সদস্য, ভাৰতৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট অতিথি তথা সমল ব্যক্তি, বেচৰকাৰী প্ৰতিষ্ঠানৰ বিষয়ববীয়া আৰু অসমৰ বিভিন্ন জিলাৰ পৰা অহা বিষয়ববীয়া সকলক আদৰণি জনায় ।সন্মিলনৰ প্ৰথম কাৰিকৰী সত্ৰত ভাষণ দাঙি ধৰি ভাৰতীয় আৰক্ষী সেৱা (আই পি এছ) ৰ অৱসৰপ্ৰাপ্ত বিষয়া ড° পি এম নায়াৰে শিশু সৰবৰাহ ৰোধত বিভিন্ন অংশীদাৰৰ ভূমিকাৰ ওপৰত আলোকপাত কৰে। আনহাতে প্ৰথম সত্ৰৰ দ্বিতীয় গৰাকী সমল ব্যক্তি ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগৰ জ্যেষ্ঠ কাৰিকৰী বিশেষজ্ঞ শ্বাইস্তা থান শ্বাহে শিশুসকলৰ মাজত ড্ৰাগছ আৰু নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ প্ৰতিৰোধ আৰু অবৈধ সৰবৰাহৰ বিষয়ত যুটীয়া কৰ্ম আঁচনি ব্যাখ্যা কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা তথা ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমী, অসমৰ সহায়ক অধ্যাপক দেবজিৎ দাসে নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু শিশু সৰবৰাহৰ আইনী ব্যৱস্থা ওপৰত আলোকপাত কৰে । সন্মিলনৰ দ্বিতীয় কাৰিকৰী সত্ৰত বিভিন্ন বেচৰকাৰী সংস্থাৰ প্ৰতিনিধি ক্ৰমে অবনী হালৈ, ড° ৰশ্মি শৰ্মা, প্ৰেৰণা চাংকাকতি আৰু পেৰিন ক্ৰিষ্টোফাৰ আদিয়ে শিশু সৰবৰাহ আৰু নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰৰ আৰু প্ৰতিৰোধমূলক ব্যৱস্থাৰ ক্ষেত্ৰত তেওঁলোকৰ অভিজ্ঞতা ব্যাখ্যা কৰে । অসম চৰকাৰৰ বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিশু সৰবৰাহ আৰু নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰৰ বিষয়ত এই সন্মিলন অনুষ্ঠিত কৰা বাবে অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আযোগক ধন্যবাদ জনাই শিশু সৰবৰাহ ৰোধৰ ক্ষেত্ৰত সকলোকে আগভাগ লবলৈ আহ্বান জনায়। সন্মিলনৰ তৃতীয় কাৰিকৰী সত্ৰত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ, সদস্য আৰু পৰামৰ্শদাতাসকলে তেওঁলোকৰ আয়োগৰ কাৰ্যব্যৱস্থা আৰু কাৰ্যসূচী বিষয়ে অৱগত কৰে । অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ সদস্যা পিলু হাজৰিকা আয়োগৰ ভৱিষ্যত কাৰ্যসূচীৰ বিষয়ে ব্যাখ্যা কৰে । সন্মিলনখন আয়োগৰ সদস্যা ৰূপা হাজৰিকাৰ শলাগৰ শৰাইৰ জৰিয়তে অন্ত পৰে । উল্লেখ্যযোগ্য যে সন্মিলনত অসমৰ ৩৩ খন জিলাৰ ২০০ ৰ অধিক চৰকাৰী বিষয়া উপস্থিত থাকে ।

# অনুভৱ মোৰ প্ৰীতিৰ স্মৃতি

**মানসী মিশ্ৰ**

ৰাতিপুৱা সেউজ সুন্দৰ পৰিৱেশৰ মাজেৰেই যাত্ৰা কৰিছিলোঁ।বৰপেটা লৈ ।সকলো ফালে নিৰ্মল পুৱাৰ আবেশ। বৰপেটা আমাৰ অফিচ ত মিটিং এখন আছে। সেইখন উদ্দেশ্যি বৰপেটালৈ যাত্ৰা।গুৱাহাটী ৰ পৰা গাড়ী চালক বুবুল আৰু মই। অকলশৰীয়া যাত্ৰাটোত বুবুলে ইটো সিটো কথা পাতি গৈ থাকিল।খুব দ্বায়িত্ব নীল, বিনয়ী স্বভাৱৰ ল'ৰা। এনেদৰেই গৈ আছিলোঁ। ঠিক বৰপেটা পাওঁ পাওঁ হৈছিলোঁ হে। চেঙা নামৰ ঠাইখনৰ বৰপেটা অফিচৰ দুগৰাকী সহকৰ্মী বৈ আছিল উদ্দেশ্য চেঙা ৰ ভিতৰুৱা অঞ্চল এখনত মিটিং এখনত উপস্থিত থকা। আমি সময়মতে সেইকাম খিনি কৰি আহি বৰপেটালৈ ৰোৱা মূল পথত উঠিছিলোঁ। সমুখত দেখিলোঁ গুলীয়াগুলী আৰম্ভ হৈছে।এক ভাবিব নোৱাৰা ভয়ানক পৰিৱেশ।ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী ৰ প্ৰতিবাদ সাব্যস্ত কৰি এক বৃহৎ সমদল ওলাই আহিছিল। প্ৰথমে দুয়ো পক্ষ ৰ মাজত হতাহতি, পিছলৈ একেৰাহে গুলী বৰ্ষণ। সেইহে পথৰ ওপৰত গাড়ী বহু সময় ধৰি আৱদ্ধ হৈ পৰিছিল। আমাৰ কিছু ভয় অনুভৱ হৈছিল যদিও সেই সময়ত বিশেষ কৰিব লগা ও নাছিল। গতিকে ভগৱানে নাম লৈ গাড়ীৰ ভিতৰতে বহি আছিলোঁ। মোৰ লগৰ সহকৰ্মী এগৰাকী য়ে ভয়ত কান্দিবলৈ ধৰিলে মই মাথো তেওঁ ক বুজালো, এই সময়ত ধৈৰ্য্য ধৰাৰ বাহিৰে আন উপায় নাই।

এনেতে ৰাস্তা ৰ কাষতে থকা পৰিয়ালৰ সদস্য দুজন ওলাই আহি আমাক মাতি লৈ গ'ল, আছে বেলেগ। সুন্দৰ ব্যৱহাৰেৰে আমাক বহিবলৈ দিলে। মানুহৰ অৰ্থনৈতিক ভাৱে বহুত দুৰ্বল আছিল যদিও আমাক যিখিনি মৰম চেনেহ কৰিছিল। সেইখিনি অতুলনীয়। অনুভৱ কৰিছিলোঁ ভালদৰে যে মানুহৰ সঁচা আন্তৰিকতা ধনত নাথাকে, মানুহৰ মনতহে থাকে গুলীয়াগুলী পাম কটাৰ পিছত আমি তেওঁ লোকৰ প্ৰতি বিদায় লৈ বৰপেটালৈ ৰাওনা হৈছিলোঁ। আজিও তেওঁ লোকৰ সেই নিভাঁজ মৰমৰ কথা মনলৈ



আহিলে শ্ৰদ্ধাত মূৰ দোঁ খাই যায়।

বৰপেটা অফিচ পাইছিলোঁ কিছু দেৰিকৈ। ওচৰৰ SP অফিছটো হোৱা হেতুকে, সেইখিনি উৎপাত অলপ বেছিকৈ হৈছিল। গৈয়ে আমাৰ কামকাজ সমূহ আৰম্ভ কৰিছিলোঁ আৰু তথা সময়ত শেষ কৰিছিলোঁ। গৈ পোৱাৰ পিছতেই সান্ধ্য আইন আৰম্ভ হৈছিল। গধূলি মাত্ৰ এঘন্টা সময়ৰ বাবে উঠাই দিয়া হৈছিল এই সান্ধ্য আইন । পিছদিনা ৰ পৰা অনিৰ্দিষ্ট সময় লৈ সান্ধ্য আইন জাৰি কৰা হৈছিল। গতিকে থাকিম বুলি গৈছিলো যদিও সিদ্ধান্ত সলনি কৰিব লগা হল।

সন্ধিয়া সাত বজাত বৰপেটা ৰ পৰা গুৱাহাটীলৈ যাত্ৰা কৰিলোঁ। গাড়ী চালক বুবুলে দ্বায়িত্বশীলতাৰে মোক অভয় নি নিৰাপদে গুৱাহাটী পোৱালেহি। বাটত কিছু কথা বতৰাও পাতিলে। খুব বিনয়ী ল'ৰা। মোক অতি আন্তৰিকতাৰে বেলেগ এটা কামৰ কথা কৈছিল। ময়ো যথাসাধ্যে চেষ্টা কৰিম বুলি কৈছিলো। চেষ্টা ও কৰিছিলোঁ। কিন্তু দুমাহৰ ভিতৰতে তেওঁৰ বাবে সুবিধাজনক কাম এটা ওলোৱা নাছিল।

কিন্তু আমাক আচৰিত কৰি দুমাহ পিচত ঠিক এনেকুৱা ডিচেম্বৰ মাহত শীতৰ কুঁৱলী ৰ মাজতে দুৰ্ঘটনাত পতিত হৈ বুবুল নামৰ অতি দায়িত্বশীল হাঁহিমুখীয়া, বিনয়ী ল'ৰা জন চিৰদিনলৈ হেৰাই গল। এই ঘটনাটোৱে যথেষ্ট ব্যথিত কৰিলে মোক।

সময় ৰ ধামখুমিয়া ত ব্যস্তহৈ পৰিলে ও বুবুল ৰ হাঁহিমুখীয়া মুখখনে মোক আজিও আমনি কৰে ।ইমান এজন দ্বায়িত্ব বুজা ব্যক্তি হেৰাই গল চিৰদিনলৈ । তেওঁৰ দায়িত্ব জ্ঞান কম ই আজিও শ্ৰদ্ধাৰ চকুৰে চাওঁ। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক, তাকেই ভগৱানক কওঁ। লগতে আমাক আশ্ৰয় দিয়া পৰিয়ালটো তেওঁ লোকৰ মহানুভৱতাৰ কথা মনত পৰিলে আজিও মোৰ মূৰটো শ্ৰদ্ধাত দোঁ খাই যায়। ভগৱানে ভালে ৰাখক তেওঁলোকক। এওঁলোকৰ কথা মনত পৰিলে ই মোৰ প্ৰায় মনলৈ আহে, এৰা! পৃথিৱী ত ভাল মানুহ আছে বাবেই হয়তো এই বস্তুবাদী সমাজ খনতো মৰম, চেনেহ এতিয়া ও বৰ্তী আছে।

# A vent buddy is good for your mental health

**Suranjita**

**Do you have a vent buddy?**

A recent podcast by The minimalists stated that there are 60, 000 thoughts in day and 80% of those thoughts are negative. It means that there are 48, 000 negatives thoughts in a day. 48, 000¯ That's a big number, isn't it? What do you do with that many negative thoughts? How do you let them out? And what if you are in a lonely place? I know of one such place where everything looks beautiful and fulfilling but at the same time has the elements of being lonely. That place is motherhood¯ Being a mother is a beautiful feeling. Seeing a little part of you grow out of you is indeed fulfilling. However, as much as there are joys of motherhood, it could be an incredibly lonely place. Particularly at the very beginning of your motherhood journey when you are the primary caregiver, the process of keeping your sanity whilst looking after little humans is unbelievably hard. You have a myriad of emotions figuring out what's best for your child. Don't you have doubts, and doubt about those doubts? What do you do with them? Do you bottle them up or vent them out?

**Science says it's good for your mental health**

Sharing your deepest insecurities and feelings is good for your mental health because you release your anxieties and open up your heart. That's the reason having someone to talk to helps. Someone who can understand you, who knows you through your thick and thin – we call it a vent



buddy¯ According to clinical psychologist and author of "Paradoxical Strategies in Psychotherapy" Leon F. Seltzer, Ph.D., venting out your frustrations to someone relieves you of stress and tension. You almost always feel better—and "lighter"—after sharing some perceived threat, indignity, misfortune, or injustice. Venting out keeps you sane as long as you choose to confide in the person who is empathetic and doesn't judge you. Being detached from the emotions that you are going through, a vent buddy can give you a new perspective.

The first month after my first pregnancy was a blur. Don't judge me but I struggled. I couldn't understand why a little baby wouldn't sleep at nights and constantly latched on to me? I would be exhausted and sleep during the day with him. The whole day would whizz past doing his nappy, more breastfeeding, burping, and repeat. In between, If I got lucky I would go for a quick shower. I used to get nervous of twilights because night was eminent¯ Believe me, for a brief period of time, I couldn't see any light at the end of the tunnel. My belief that motherhood was supposed to be joyous was dwindling as my emotions and hormones were getting the better of me. Please don't get me wrong here as I did have fun but had no let out of my emotions.

(আঠপৃষ্ঠাত চাওক)

# শিশুৰ নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা


**হিমাদ্ৰী বৰকটকী,শিৱনগৰ, নগাঁও**



বৰ্তমান সময়ত শিশুৰ নৈতিক শিক্ষাৰ খুবেই প্ৰয়োজন হৈ পৰিছে। এই নৈতিক শিক্ষা আমি সাধাৰণতে ঘৰখন তথা বিদ্যালয়ৰ জৰিয়তে দিব পাৰোঁ । জন্মতে নৱজাত শিশুটি এটি চেতনাহীন জীৱ। তাৰ নৈতিক জ্ঞান সেইসময়ত সুপ্ত হৈ থাকে। শিশুটিয়ে সেই সময়ত ভবা-চিন্তা, যুক্তি - তৰ্ক আদি একো কৰিব নোৱাৰে। তাৰ আচৰণ সমূহ আন আন জীৱ-জন্তুৰ দৰেই প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত । লাহে লাহে শিশুটি ডাঙৰ হয় আৰু এখন সমাজত বসবাস কৰিবলৈ লয় ।সমাজত সি বিভিন্ন লোকৰ সংস্পৰ্শ আৰু পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগে লগে সুখ-দুখ, আবেগ- অনুভূতি আদি অভিজ্ঞতাৰ যোগেদি শিশুটিয়ে নৈতিক চেতনা বা নৈতিকজ্ঞান লাভ কৰি উঠে । গতিকে শিশুৰ নৈতিকজ্ঞান শিক্ষালব্ধ । শিশুসকলক মাক-দেউতাকে ঘৰুৱা পৰিবেশত যিমান খিনি পাৰে সিমানখিনি নৈতিক শিক্ষা দিয়ে। কিন্তু সেই শিক্ষাই যথেষ্ঠ নহয়, সিহঁতে কিছু পৰিমাণেহে গ্ৰহণ কৰে সেই শিক্ষা। আজিকালি এনেকোৱা দিন আহিছে যে, জেষ্ঠজনে ভাল উপদেশ দিলে ল'ৰা ছোৱালীয়ে বেয়া বুলিহে গণ্য কৰে। বহুতো শিশুৱে জেষ্ঠ জনক আজিকালি সন্মান নকৰা হৈছে আৰু কিছু ক্ষেত্ৰত তেওঁলোক অপদস্থ হব লগাও হৈছে। গতিকে শিশুৰ এই অনৈতিক গুণসমূহ দূৰ কৰাৰ বাবে সুস্থ- সুন্দৰ নৈতিকতাপূৰ্ণ গৃহ, সামাজিক পৰিবেশ আৰু শিক্ষা পৰিবেশৰ খুবেই প্ৰয়োজন। বিদ্যালয়ত প্ৰাথমিক পৰ্যায়ত প্ৰাৰ্থনা, গীত- মাত, ধৰ্মীয় কথা, মহৎ লোকৰ বাণী আৰু খেলা-ধূলা আদিৰ মাজেৰে শিশুক নৈতিক শিক্ষা দিব পাৰি । শিক্ষক সকলে শিশুসকলক "সত্যৰ সদায় জয়" আৰু "অসত্যৰ পৰাজয়" এই ধৰণৰ নৈতিক শিক্ষা দিব লাগে। লগতে

# জ্ঞানপীঠ বঁটা আৰু কবি নীলমণি ফুকন

**বন্দিতা শৰ্মা কন্দলি**



ভাৰতৰ সৰ্বোচ্চ সাহিত্য সন্মান টোৱেই হৈছে জ্ঞানপীঠ বঁটা। এই বঁটা প্ৰদান কৰা হয় দা টাইমছ অফ ইণ্ডিয়া বাতৰি কাকতৰ প্ৰকাশক চাহু জৈন পৰিবাৰৰ দ্বাৰা গঠন কৰা এটা ট্ৰাষ্টৰ দ্বাৰা। এই বঁটা আৰম্ভ কৰা হয় ১৯৬১ চনত। ভাৰতীয় সংবিধানৰ অন্তৰ্ভুক্ত হোৱা ভাষা সমূহৰ যিকোনো ভাষাৰ সাহিত্যৰ ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট সৃষ্টিশীল কৰ্মৰ বাবে প্ৰতিবছৰে এই বঁটা নিৰ্দিষ্ট লেখকজনক প্ৰদান কৰা হয়। জ্ঞানপীঠ শব্দৰ অৰ্থ হৈছে জ্ঞানৰ বেদী। সেয়ে বঁটা প্ৰদানৰ ক্ষেত্ৰত লেখক জনৰ সামগ্ৰিক সাহিত্যকৃতিৰ মূল্যায়ন কৰা হয়। এই বঁটাত আছে নগদ পাঁচ লাখ টকা, এখন মানপত্ৰ আৰু সৰস্বতীৰ এটি ব্ৰঞ্জৰ মূৰ্তি। "জ্ঞানপীঠ বঁটা" ৰে সন্মানিত হোৱা প্ৰথম জন অসমীয়া হৈছে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, দ্বিতীয়

(আঠপৃষ্ঠাত চাওক)

# অসমৰ জ্ঞানপীঠ বঁটা বিজয়ী মনিষীসকল

**স্বাগতা বৰুৱা গোস্বামী**



চলিত বৰ্ষটোত আমাৰ অসমখনৰ বাবে বহুতো সুখৰ বতৰা আহিছে নহয়নে? পদ্মশ্ৰীৰ পৰা শেহতীয়াকৈ জ্ঞানপীঠ বঁটালৈকে সকলোতে আমাৰ অসমখনৰ নাম মহীৰূহসকলে উজলাই তোলিলে নহয়নে বাৰু? তোমালোকে বাৰু জানানে জ্ঞানপীঠ বঁটাৰ বিষয়ে? জ্ঞানপীঠ বঁটা হ'ল ভাৰতৰ সৰ্বোচ্চ সাহিত্য সন্মান। এই সন্মান আমাৰ অসমৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, মামণি ৰয়ছম গোস্বামী আৰু শেহতীয়াকৈ নীলমণি ফুকনে লাভ কৰিলে। আজি তোমালোকক মই এই তিনিওজন মহীৰূহৰ বিষয়ে থুলমুল আভাষ এটা দিম দেই।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য অসমৰ প্ৰথমজন জ্ঞানপীঠ বঁটা বিজয়ী অসমীয়া। এই মহান ব্যক্তি জনৰ জন্ম হৈছিল ১৯২৪ চনৰ ১৪ অক্টোবৰত চফ্ৰাই চাহবাগিচাত। তেওঁ আছিল একাধাৰে গল্পকাৰ, ঔপন্যাসিক, কবি, নিবন্ধকাৰ আৰু সাংবাদিক। ১৯৭৭ চনতে 'অসমীয়া সাহিত্যত ব্যংগ আৰু হাস্যৰস শীৰ্ষক' গৱেষণা পত্ৰৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰা ভট্টাচাৰ্যদেৱে ১৯৬১ চনত ইয়াৰুইঙ্গম গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটাও লাভ কৰিছিল। ১৯৮৩-১৯৮৫ বৰ্ষৰ বাবে অসম সাহিত্য সভাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। এই মহান সাহিত্যিক জনাই ১৯৭৯ চনত মৃত্যুঞ্জয় উপন্যাসৰ বাবে সাহিত্যৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। এই মহীৰূহ জনাৰ মৃত্যু হয় ১৯৯৭ চনৰ ৬ আগষ্টত।

এতিয়া আহো অসমৰ একমাত্ৰ আৰু ভাৰতৰ দ্বিতীয় গৰাকী মহিলা জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়ছম গোস্বামী বাইদেউৰ বিষয়লৈ। মামণি ৰয়ছম গোস্বামীৰ জন্ম হয় ১৯৪২ চনৰ ১৪ নবেম্বৰত। তেখেতৰ প্ৰকৃত নাম আছিল ইন্দিৰা গোস্বামী। তেওঁ একাধাৰে লেখক, সম্পাদক, কবি, অধ্যাপিকা আৰু সমাজকৰ্মী আছিল। ৰামায়ণী সাহিত্যৰ গৱেষক হিচাপে মাধৱ কন্দলীৰ ৰামায়ণৰ ওপৰত গবেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। তেখেতে ১৯৮২ চনত মামৰে ধৰা তৰোৱালৰ বাবে সাহিত্য অকাডেমি বঁটা, ১৯৮৮ চনত অসম সাহিত্য সভা বঁটা, ১৯৮৯ চনত ভাৰত নিৰ্মাণ বঁটা, ১৯৯২ চনত উত্তৰ প্ৰদেশ হিন্দী সংস্থানৰ সৌহাদ্য বঁটা, ১৯৯৩ চনত কথা ৰাষ্ট্ৰীয় সাহিত্য বঁটা, ১৯৯৬ চনত কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটা, ২০০০ চনত জ্ঞানপীঠ বঁটা, ২০০২ চনত পশ্চিম বংগৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা ডি.লিট সন্মান, ২০০২ চনত মহীয়সী জয়মতী বঁটা আৰু পদ্মশ্ৰী বঁটা লাভ কৰিছিল কিন্তু পদ্মশ্ৰী ল'বলৈ অস্বীকাৰ কৰে। আকৌ ২০০৭ আৰু ২০০৮ চনত ডি.লিট সন্মান, ২০০৮চনত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ বঁটা, প্ৰিন্স ক্লছ বঁটা, ২০০৯ চনত অসম সাহিত্য সভাৰ কৃষ্ণকান্ত সন্দিকৈ বঁটা, দিল্লী বিশ্ববিদ্যালয়ৰ professor Emeritus সন্মান, শান্তি দূত বটাঁ, আন্তৰ্জাতিক তুলসী বঁটা আৰু শেষত মৰণোত্তৰ ভাৱে অসম ৰত্ন বটাঁ। এইগৰাকী মহাননাৰী য়ে শেষ নিশ্বাস ত্যাগ কৰে ২০১১ চনত।

এতিয়া আহো সৌদিনি জ্ঞানপীঠ বঁটা লাভ কৰা ওলমি থকা গোলাপী জামুৰ লগ্নৰ কবি নীলমণি ফুকনৰ কথালৈ। সকলোতকৈ আশ্চৰ্য জনক কথা যে মামণি ৰয়ছম গোস্বামীয়ে কুৰি বছৰৰ আগতেই কৈছিল অসমে পৰৱৰ্তী জ্ঞানপীঠ বঁটাটো কবিতাৰ বাবেই পাব আৰু সচাঁকৈয়ে এইবাৰ তোমালোকৰ ককা কবি নীলমণি ফুকনদেৱে লাভ কৰিলে। তেখেতৰ জন্ম হয় ১৯৩৩ চনৰ ১০ ছেপ্তেম্বৰত গোলাঘাট জিলাৰ দেৰগাঁওত। তেখেত একাধাৰে কবি, কলা সমালোচক, অধ্যাপক আৰু সাহিত্যিক। এইজনা কবিয়েও যথেষ্ট বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। অসম সাহিত্য সভাই প্ৰদান কৰা 'ৰঘুনাথ চৌধাৰী বঁটাৰ পৰা আৰম্ভ কৰি ১৯৮০ চনত কবিতা নামৰ কাব্য সঙ্কলনৰ বাবে সাহিত্য অকাডেমি বঁটা, ১৯৯০ চনত পদ্মশ্ৰী বঁটা, ২০০২চনত সাহিত্য অকাডেমীৰ সৰ্বোচ্চ সন্মান 'ফেল'-২০০২ সন্মানিত হয় আৰু শেহতীয়াকৈ সাহিত্যৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে। সেইবাবেই কিজানি ভূপেন মামাই গাইছিল অসম আমাৰ ৰূপহী গুণৰো নাই শেষ ভাৰতৰে পূৰ্বদিশৰ সূৰ্য্য উঠা দেশ... অসীম গুণেৰে সমৃদ্ধিশালী সূৰ্য্য উঠা দেশৰ এইসকল অসমীয়াই আমাৰ সাহিত্যৰ ভৰাঁল চহকী কৰা একো একোজন মহীৰূহ।

# মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা

পৰা ৰাজ্যৰ কাৰাগাৰসমূহৰ মহিলা বাৰ্ডেনৰ পদৰ বাবে প্যঁনতম শিক্ষাগত অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হব লাগিব। অসম কাৰাগাৰ সেৱা নীতি ১৯৮৬ সংশোধন ঘটাই ড০ শৰ্মাৰ মন্ত্ৰীসভাই এই সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, এই বৈঠকতে মাজুলীৰ নাও দুৰ্ঘটনাত পতিত হোৱা ইন্দ্ৰেশ্বৰ বৰাৰ পত্নী ৰূপৰেখা বৰা সেনাপতি আৰু পৰিস্মিতা দাসৰ ভগ্নী মধুমিতা দাসক চৰকাৰী চাকৰিত নিযুক্তি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰূপৰেখা বৰা সেনাপতিক লক্ষীমপুৰৰ কিমিনত নিযুক্তি আৰু মধুমিতা দাসক ৰাজ্যিক শিক্ষা গবেষণা আৰু প্ৰশিক্ষণ পৰিষদত প্ৰবক্তাৰ পদত দিয়াৰ সিদ্ধান্তগ্ৰহণ কৰা হৈছে। আই আই টি গুৱাহাটিৰ চৌহদত এখন চপাৰ স্পেচিলিটি হস্পিতাল স্থাপনৰো সিদ্ধান্তগ্ৰহণ কৰা হয়। অধীনত অতিৰিক্ত ধনৰ অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে বৈদ্যুতি মাচুল, পানী যোগান আঁচনি আৰু কৰ্মচাৰীৰ মজুৰী দিয়া হ'ব। অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগ উৎপাদিত সামগ্ৰীসমূহ ক্ৰয় কৰাৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিক প্ৰদান কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। গ্ৰাম্যাঞ্চলত খোৱা পানী আৰু অনাময় ব্যৱস্থা সুনিশ্চিত কৰিবৰ বাবে পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত অতিৰিক্ত ধনৰ অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে বৈদ্যুতি মাচুল, পানী যোগান আঁচনি আৰু কৰ্মচাৰীৰ মজুৰী দিয়া হ'ব। অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগ উৎপাদিত সামগ্ৰীসমূহ ক্ৰয় কৰাৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিক প্ৰদান কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

# ৰাজ্যৰ কাৰাগাৰসমূহত

সকলোকে আদৰণি জনোৱাৰ লগতে কাৰাবাসীৰ অধ্যয়নৰত সন্তানসকলক শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানৰ শুভাৰম্ভ কৰি অসম চৰকাৰ গৃহ বিভাগৰ প্ৰধান সচিব নীজ বামহি কাৰাবাসীসকলৰ সন্তানসকলক নিজকে ভাল মানুহ হিচাপে গঢ়ি তুলি সুন্দৰ নিদৰ্শন দাঙি ধৰিবলৈ আহ্বান জনায়। কাৰাবাসীৰ শিক্ষাৰ্থী সন্তানসকলক কিতাপ, কাগজ-কলমৰ লগতে কিছু প্ৰয়োজনীয় সামগ্ৰীৰ টোপোলাৰে আদৰণি জনোৱা হয়। অসম কাৰাগাৰৰ মুখ্য কাৰ্যালয়ে কাৰাগাৰ সংস্কাৰৰ বাবে লোৱা পদক্ষেপ অনুসৰি কালি ধুবুৰীৰ ভাৰপ্ৰাপ্ত কাৰাগৰ অধীক্ষকৰ উপস্থিতিত ধুবুৰী জিলা কাৰাগাৰত আশীৰ্বাদ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত কাৰাবন্দীৰ সন্তানে পিতৃ-মাতৃক সাক্ষাৎ কৰি তেওঁলোকৰ অনাগত বাবে আশিস গ্ৰহণ কৰে।



# অন্ধকাৰত দুটি ছাঁয়া

পাৰ্থপ্ৰতীম শৰণীয়া
তামুলপুৰ



বেলিটি লুকায় অন্ধকাৰে অন্ধকাৰে
গছৰ ডালত দুটি ছাঁয়া এটি চাকি,
নদীৰ দৰে বৈ সময়নো কত ৰয়
বহু বসন্ত বহু ফাগুন সাক্ষী।
যৌৱন বোকোছাত সুগন্ধি কুসুম
প্ৰতিশ্ৰুতি সপোন মনৰ বান্ধোন,
মুখত হাঁহি পিন্ধা দুটি ছাঁয়াৰ
ভাষা গুণ গুণ পঁপুৰ ৰুণ-জুন।
ছন্দ চঞ্চলা কবিতা লগনত
নিৰ্মল পৰাণ মগন নিমজ অভিযোগত,
চেনেহ সৰা উজাগৰী ৰাতিবোৰ
নাই ৰিক্ততা নাই তিক্ততা হৃদয়ত।

# হৃদয়ৰ ৰঙ

প্ৰসেনজিৎ গোস্বামী




বন্ধ কোঠাত বিচনাত বাগৰি তোমাৰ কথাই ভাবিছোঁ।
হুমুনিয়াহ বোৰে কোঠাৰ বেৰ, চিলিং বগাই
খেলি আছে আপোনমনে।
খিৰিকী খুলি দিম বুলি ভাবিও নিদিলোঁ।
থাকক নালাগে।
আপোন মনে খেলি থকা হুমুনিয়াহবোৰে হয়তো
খিৰিকাৰে সোমাই অহা বতাহত বিতত হব।
তোমাক ভাল পোৱাটো যেন বৰ্ষা অৰণ্য।
তোমাক ভালপাওঁ বুলি কোৱাতো অৰণ্যৰোদন।
আৰু মই?
আৰু মই?
সময়ে এৰি থৈ যোৱা কেইটামান মুহূৰ্তৰ
স্মৃতি মাথো।
তোমাক ভাল পোৱাটো যেন বৰ্ষা অৰণ্য
তোমাক ভালপাওঁ বুলি কোৱাতো অৰণ্যৰোদন।

# কবিতাৰ শিতান

## সাৰ পাই উঠা হে নাৰী

শ্ৰী ৰূপৰেখা ঠাকুৰ
দেৰগাঁও




হে নাৰী,
তুমি নদীৰ দৰে
বহল বিশাল।
সকলো বাধা
অতিক্ৰম কৰি
আগুৱাই যোৱা
সাগৰমুখী হৈ,
সাৰ পাই উঠা,
হে মৰমী নাৰী,
মাতৃ হৈ
ভগ্নী হৈ
প্ৰিয়তমা হৈ
প্ৰয়োজন ত দুৰ্গা
কালীৰ ৰূপ লৈ
অসুৰ বিনাশী
প্ৰতিষ্ঠা কৰা
এখন সেউজ সুন্দৰ
শান্তি ময় পৃথিৱী।

## আঘোণৰ কথাৰে

ৰাজলক্ষ্মী বৰঠাকুৰ,গোলাঘাট

কুঁৱলীৰ আৱৰণ ফালি
পুবাৰ ৰাঙলী সুৰুযে ভুমুকি
মাৰিলে,
আঘোণৰ চোতালত ৰদ কাচলিত
বহি
আইতাই নাতি- নাতিনীৰ লগত
ললে ৰবাব টেঙাৰ জুতি
দাৱনীয়ে লাৱনী হাতেৰে
আঘোণৰ পথাৰত ধানৰ মুঠিত
কাঁচিৰ পৰশ দিলে।
সোণ গুটিৰ ভৰত আঘোণাকাইৰ
কান্ধৰ বিৰিয়া কঁপি উঠিল
আঘোণৰ শেষত আনন্দ মনেৰে
আই-লখিমীক
আদৰি আনি ভঁৰাল ভৰাব ।



# উজনি অসমৰ লৰা

নিতিস্মান দাস,সপ্তম শ্ৰেণী



মই উজনিৰ এটি সৰু পৰিয়ালৰ লৰা,
সৰুকালত উজনিতে খেলা-ধুলা কৰা।
আমাৰ ঘৰৰ ওচৰতে কাঁচজান নদী বৈছে,
এনে লাগিছে নদীখনে জীৱনৰ অৰ্থ বুজাইছে।
আমাৰ ঘৰৰ ফালে সামগ্ৰীৰ অভাৱ নাই,
বঙালী-অসমী লোক থাকে যেনে ভাই-ভাই।
এই ঠাই খনৰ স্মৃতি মনে নুগুছাই,
গাঁও খন মন্দিৰৰ বাবে আৰু জিকমিকাই।
ঘৰৰ ওচৰৰ সকলোৰে মোক কোলাত লৈছিল,
এই সময়বোৰ হে কেতিয়াও পাহৰিব নোৱাৰা আছিল।
মা-দেউতাৰ নিতিস্মান নামত পৰিলে চকু,
কিন্তু ঘৰৰ ওচৰ চুবুৰীয়াই মোক মাতে নিকু।
প্ৰথম বিদ্যা আৰম্ভ অঙ্গনবাড়ীৰে,
পাছত আগবঢ়াই নিলে প্ৰাগজ্যোতিকা আৰু চেইণ্ট মেৰিজে।
সৰুকালৰ স্মৃতি মনত পৰিলে চকুলো সৰে,
কি কৰোঁবাৰু মৰমৰ ঠাই খনি সুন্দৰ কৰিবলে।
আঘোণ মাহত ওচৰৰ কৃষি ভূমিত ধাননিৰে ভৰিছে,
নাজানো এই সময়ত কিয়! ককা আইতালৈ মনত পৰিছে।
সকলোৰে দৰে মই নাপালো ককা আইতাৰ সুখ,
এইটোৱেই মোৰ জীৱনৰ অত্যন্ত ডাঙৰ দুখ।

# জিৰাফ অ' জিৰাফ

গায়ত্ৰী দেৱী বৰঠাকুৰ,তেজপুৰ



জিৰাফ অ' জিৰাফ
অকলে- অকলে কৰি আছা কিহৰনো বাৰু হিচাপ?
কেনেকৈনো ইমান দীঘল হ'ল তোমাৰ ডিঙিটো ?
সুধিবা চোন ডাৰউইন ককাক এবাৰ কথাটো।।
থাকক দিয়া সেইবোৰ বিজ্ঞানৰ কথা।
পঢ়াৰ কথা ওলালেই আমি হওঁ জানা বৰ ভাগৰুৱা।।
কোনেনো কৰিলে তোমাৰ দেহাটি ইমান ফুটুকীয়া?
কিনো ক'ম কিমান যে লাগে তোমাক ধুনীয়া?
গছৰ পাত খাই থাকা তুমি আপোনমনে।
তোমাৰ পিছে আচল ঘৰ আফ্ৰিকাত হে বোলে।।
খঙ উঠিলেই নাযাবা গৈ দেই আফ্ৰিকালৈ গুছি।
কেনেকৈনো যাম বাৰু ইমান দূৰ তোমাক বিচাৰি?
কথা এটি জানিহে জানা লাগিলে বৰ দুখ ।
বগা জিৰাফ তিনিটিও আছিল বোলে আফ্ৰিকাৰেই সুখ।।
চোৰাংচোৱা চিকাৰীয়ে মাক আৰু পোৱালিটোক কিয়নো বাৰু
পেলালে মাৰি?
ভাবি- ভাবি ওৰ নেপাওঁ জানা কথাটি?
কিবা এটা উপায় কৰা মৰমৰ জিৰাফ ভাই।
তোমাক হেৰুৱাব লৈ জানা আমাৰ অকণো মন নাই।
ডাঙৰ- ডাঙৰ মানুহ বোৰে কেতিয়ানো বুজি পাব এই কথা?
তোমালোক থাকিলেহে জানা শুৱনি হৈ থাকিব আমাৰো ধৰা।।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# অসম লোকসেৱা অধিকাৰ
# সেৱাৰ নিশ্চিতি, জনতাৰ সবলীকৰণ

JANASANYOG- 2716/21

rtps.assam.gov.in

সহাঁৰি XOHARI



## উপলব্ধ সেৱাসমূহ
## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

- বিবাহ পঞ্জীয়ন
- সম্পত্তিৰ নথি-পত্ৰৰ পঞ্জীয়ন
- সম্পত্তিৰ মালিকীস্বত্বৰ পৰিৱৰ্তন
- ভূমি ৰেকৰ্ডৰ প্ৰামাণিক প্ৰতিলিপি
- নন-এনকম্ব্ৰেন্স প্ৰমাণপত্ৰ
- পঞ্জীভুক্ত বিক্ৰী দলিলৰ প্ৰামাণিক প্ৰতিলিপি
- পৰিৱৰ্তন ক্ৰমৰ প্ৰামাণিক প্ৰতিলিপি
- নিখুঁত বিভাজন
- ভূমিৰ পুনৰ শ্ৰেণী বিভাজনৰ বাবে এন অ' চি
- পুনৰ শ্ৰেণী বিভাজন তথা স্থানান্তৰৰ বাবে এন অ' চি
- স্থাৱৰ সম্পত্তি স্থানান্তৰৰ বাবে এন অ' চি

**সবিশেষ জানিবলৈ/সহায়ৰ বাবে**
**এ আৰ টি পি এছ হেল্পলাইন নম্বৰ ১৮০০-৩৪৫-৩৫৭৪ ডায়েল কৰক**

অসম লোকসেৱা অধিকাৰ আইন, ২০১২ (২০১৯ চনৰ সংশোধন অনুসৰি)

পঞ্জীয়ন কৰক : assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us /@diprassam https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২৫ আঘোণ, ১৪২৭ চন Rongili Barta, Date of Publication-- 12 December, 2021

# A vent buddy is good

**Emotional well being**

A study in 2009 found that sharing your emotional state of mind contributes to your emotional well being. I wish I knew that¯ However, as they say necessity is the mother of invention, I did find another way of dealing with my emotions and you can try that too. It's a tried and tested menthod. Make a diary as your vent buddy. It is emphatic and will listen to all your gloomy stories. Mine is a witness to so many such days and now when I look back, I am very proud of myself for creating such a reliable vent buddy. Also as per the study, it indirectly encourages your children to form similar relationships in their lives. This, I think they will acquire.

**A Big Thank You**

Being a mum of three, I highly recommend a vent buddy to all the new mums to share your highs and lows. Have a social group where you can meet up with like minded people and who are going through the same joys and doubts in life. It is believed that having a close circle of friends makes a new mother feel a lot less stressed and this has positive impact on a child's cognitive development. While writing this post, I felt that I have had at least one vent buddy throughout my life who has made a huge difference in my life. It is so important to have one such friend whom you can trust and let your guard off. I hope that I have been able to provide that kind of support through my pair of ears and an open heart. If I am not clear, I want to say it again that I am always open to being your vent buddy.

A big thank you, hugs and a huge amount of respect and love to all my vent buddies and you know who you are !

# শিশুৰ নৈতিক শিক্ষাৰ

অনক হিংসা নকৰিবা, সকলোকে সমান জ্ঞান কৰিবা, বেয়া চকুৰে নাচাবা, বেয়া কথা নকবা আৰু পাপ কামৰ পৰা বিৰত থাকিবা আদি নৈতিক শিক্ষা শিক্ষকসকলে শিশুসকলক বিদ্যালয়ত দিব লাগে। এনেবোৰ শিক্ষাই হৈছে নৈতিক শিক্ষা ।এই শিক্ষাৰ অভাৱত বৰ্তমান বহুত শিশু ধ্বংসৰ পথলৈ গতি কৰিছে । যাৰ ফলত দেশত কটা-মৰা, হিংসা-হিংসী আদিৰ সৃষ্টি হৈছে। মানুহে মানুহক মাৰিবলৈ ভয় নকৰা হৈছে ।ভবা চিন্তা কৰাৰ গুণ লাহে লাহে নাইকীয়া হৈ গৈছে। আমি এই অনৈতিক গুণ সমূহ নৈতিক শিক্ষাৰ জৰিয়তে আঁতৰাব লাগি। গতিকে, বৰ্তমান যুগত আমাৰ নৈতিক শিক্ষাৰ খুবেই প্ৰয়োজন হৈ পৰিছে। এই শিক্ষা শিশুসকলক প্ৰাথমিক স্তৰতে দিলে পিতৃ-মাতৃ তথা জনসাধাৰণ যথেষ্ঠ পৰিমানে উপকৃত হ'ব। জনসাধাৰণ বা সমাজেও যিমান পাৰে সিমান শিশুক নৈতিক শিক্ষা দিব লাগে। কাৰণ "আজিৰ শিশু কালিলৈ দেশৰ ভৱিষ্যত" গতিকে এই কথা মনত ৰাখি শিশুসকলক সুপথে পৰিচালিত হ'বলৈ ভাল শিক্ষা তথা নৈতিক শিক্ষা দিব লাগে। এয়াই আমাৰ প্ৰধান কাম্য ।

# জ্ঞানপীঠ বঁটা আৰু কবি

মামণি ৰয়ছম গোস্বামী আৰু তৃতীয় জন হৈছে বিশিষ্ট কবি নীলমণি ফুকন।

১৯৩৩ চনৰ ১০ ছেপ্টেম্বৰত গোলাঘাট জিলাৰ দেৰগাঁওত নীলমণি ফুকন ককাৰ জন্ম হয়। দেৰগাঁৱতে স্কুলীয়া শিক্ষা আৰম্ভ কৰা ফুকন ককাই ১৯৫০ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৫৭চনত কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৬০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইতিহাস বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ১৯৬৪ চনত আৰ্য বিদ্যাপীঠ কলেজৰ ইতিহাস বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰে। ১৯৬৬ চনত মণিদীপ আলোচনী সম্পাদনা কৰে। ১৯৭২ চনত অসম সাহিত্য সভাই প্ৰদান কৰা "ৰঘুনাথ চৌধাৰী বঁটা", ১৯৮০ চনত কবিতা নামৰ কাব্য সংকলনৰ বাবে সাহিত্য অকাডেমি বঁটা, ১৯৯০ চনত ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মান প্ৰদান কৰে। ১৯৯২ চনত আৰ্য বিদ্যাপীঠ কলেজৰ ইতিহাস বিভাগৰ মুৰব্বী পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেখেতৰ কবিতা সংকলন সমূহ হ'ল— সূৰ্য্য হেনো নামি আহে এই নদীয়েদি, নিৰ্জনতাৰ শব্দ আৰু কি নৈঃশব্দ, ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে, কঁাইট গোলাপ আৰু কঁাইট, গোলাপী জামুৰ লগ্ন, কবিতা, নৃত্যৰতা পৃথিৱী, সাগৰ তলিৰ শঙ্খ আৰু অলপ আগতে আমি কি কথা পাতি আছিলোঁ। অপঁাদিত কাব্য সংকলন কেইখন হৈছে— জাপানী কবিতা, গাৰ্ৰ্থিয়া লৰকাৰ কবিতা আৰু অৰণ্যৰ গান। ইয়াৰ উপৰিও তেখেতে ১৯৯১ চনত ছগল লাল জৈন বঁটা, ১৯৯৭ চনত অসম উপত্যকা সাহিত্য বঁটা আৰু সাহিত্য অকাডেমি ৰ ফালৰ পৰা ২০০২ চনত শ্ৰেষ্ঠ সাহিত্যিক সন্মান সাহিত্য অকাডেমি ৰ ফেল' প্ৰদান কৰা হয়। ২০১৯ বৰ্ষৰ ১৯ আগষ্টত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সন্মানীয় "ডি লীট" উপাধি প্ৰদান কৰে। অনবদ্য সৃষ্টিৰে অসমীয়া কবিতাক বিশ্বজনীন কৰি তোলা নীলমণি ফুকন ককাক ভাৰতীয় জ্ঞানপীঠে ২০২০ বৰ্ষৰ জ্ঞানপীঠ বঁটা প্ৰদান কৰে।

# জনসাধাৰণক ৰাজহুৱা সেৱাসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত প্ৰদান কৰিবৰ বাবে ৰাজ্যৰ চৰকাৰৰ প্ৰযুক্তিগত দিশত পদক্ষেপ গ্ৰহণ

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৈছে যে ৰাজ্যৰ জনসাধাৰণৰ জীৱনধাৰণ সহজ আৰু সৰল কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস অব্যাহত ৰাখিছে। ৰাজ্যখনৰ জনসাধাৰণক ২৪ ঘণ্টাই যাতে সেৱা উপলব্ধ কৰিব পৰা যায়, তাৰ বাবে ৰাজ্য চৰকাৰে প্ৰযুক্তিগত দিশত পদক্ষেপ গ্ৰহণ কৰিছে। গুৱাহাটীৰ শ্ৰী মন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে আয়োজন কৰা এটা অনুষ্ঠানত এই কথা প্ৰকাশ কৰে। ড° শৰ্মাই অনুষ্ঠানত তাৎক্ষণিক ব্যৱসায় অনুজ্ঞা পত্ৰ প্ৰদান, সম্পত্তি কৰ নিৰ্ধাৰণ তথা পৰিশোধ ব্যৱস্থা, গৃহ নিৰ্মাণৰ অনুমতি প্ৰদান প্ৰণালী, প্ৰকল্প ব্যৱস্থাপনা আৰু নিৰীক্ষণ প্ৰণালীৰ অনলাইন সেৱাৰ আনুষ্ঠানিকভাবে শুভ উদ্বোধন কৰে। এই অনুষ্ঠানতে স্বচ্ছ সৰ্বেক্ষণৰ বাবে ৰাষ্ট্ৰীয় বঁটা লাভ কৰা ৰাজ্যৰ ৯খন পৌৰসভা তথা নগৰ সমিতিলৈ মান-পত্ৰ, নগদ পুৰস্কাৰ আৰু অনুমোদন পত্ৰ আনুষ্ঠানিকভাবে বিতৰণ কৰে। ইয়াৰ উপৰিও ড° শৰ্মাই কেইবাগৰাকীও হিতাধিকাৰীক সম্পত্তি কৰৰ প্ৰমাণ-পত্ৰ বিতৰণ কৰে। মিছন বসুন্ধৰাৰ প্ৰতি জনসাধাৰণে ব্যাপক সহাঁৰি জনাইছে বুলি উল্লেখ কৰি ড° শৰ্মাই কয় যে এই পাৰ্টেলত ৯ লাখ মানুহে আবেদন কৰিছে।

# এছিয়ান ৰোয়িং চেম্পিয়নশ্বিপ ২০২১ ত ভাৰতৰ স্বৰ্ণ আৰু ৰূপ পদক অৰ্জন



ৰঙিলী বাৰ্ত্তাসেৱা- থাইলেণ্ডত অনুষ্ঠিত এছিয়ান ৰোয়িং চেম্পিয়নশ্বিপ ২০২১ ত পুৰুষৰ ডাবল স্কুলছ ইভেণ্টত ভাৰতীয় ৰোৱাৰ অৰ্জুন লাল জাট আৰু ৰবিয়ে সোণৰ পদক জিকিছে। পুৰুষৰ একক স্কুলত ভাৰতৰ পৰমিন্দৰ সিঙে ৰূপৰ পদক অৰ্জন কৰে। টকিঅ' অলিম্পিয়ান অৰ্জুন আৰু তেওঁৰ সংগী ৰবিয়ে ৬:৫৭.৮৮৩ ত দৌৰ সমাপ্ত কৰিছিল আনহাতে তেওঁলোকৰ চীনা প্ৰতিদ্বন্দী কিং লি আৰু লটং ঝাঙে ৭:০২.৩৭৪ বজাত দৌৰ সমাপ্ত কৰিছিল।

# প্ৰণালীটোৰ বাবে সৰ্বাধিক চৰকাৰী প্ৰকল্প বিলম্বিত হৈছে: নীতিন গাডকাৰী

ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে তেওঁ কোনো অভিযোগ উত্থাপন কৰিব নিবিচাৰে, "কিন্তু ব্যৱস্থাটোৰ বাবে সৰ্বাধিক প্ৰকল্প বিলম্বিত হৈছে"। তেওঁ লগতে সিদ্ধান্ত নলোৱা আৰু চৰকাৰী ব্যৱস্থাৰ সিদ্ধান্তত পলম কৰাক "এক ডাঙৰ সমস্যা" বুলি অভিহিত কৰে। তেওঁ যোগ দিছিল যে বিলম্বৰ ফলত প্ৰকল্পটোৰ ব্যয় বৃদ্ধি হয়।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286